# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-05-2024
**Time :** 1800 Hrs

# ***Assamese Evening Bulletin***

**- - - - - - - - - - - - - - -**

০০০০০

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ত দেশৰ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৮টা সমষ্টিত ভোটগ্ৰহণ অব্যাহত আছে। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশৰ ১৪টা, হাৰিয়ানাৰ ১০, বিহাৰৰ ৮টা, পশ্চিমবংগৰ ৮টা, দিল্লীৰ ৭টা, ওড়িশাৰ ৬টা, ঝাৰখণ্ডৰ ৪টা আৰু জম্মু কাশ্মীৰৰ এটা সমষ্টি আছে। শেহতীয়া খবৰ অনুসৰি বিয়লি ৫ বজা পৰ্যন্ত সামগ্ৰিকভাৱে ৫৭ দশমিক ৭.০ শতাংশ ভোটদান সম্পন্ন হৈছে। এই সময়ছোৱাত পশ্চিমবংগত  ৭৭ দশমিক ৯-৯ শতাংশ, ঝাৰখণ্ডত ৬১ দশমিক ৪-১ শতাংশ, উত্তৰ প্ৰদেশত ৫২ দশমিক ০-২ শতাংশ, হাৰিয়ানাত ৫৫ দশমিক ৯-৩ শতাংশ, বিহাৰত ৫২ দশমিক ২-৪ শতাংশ, জম্মু কাশ্মীৰত ৫১ দশমিক ৩-৫ শতাংশ, দিল্লীত ৫৩ দশমিক ৭-৩ শতাংশ আৰু ওড়িশাত ৫৯ দশমিক ৬-০ শতাংশ ভোটদান সম্পন্ন হৈছে।

এই পৰ্যায়ত মুঠ ৮৮৯গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ই ভি এম আজি ৰাজনৈতিক ভাগ্য বন্দী হ'বলগীয়া বিজেপিৰ উল্লেখযোগ্য প্ৰাৰ্থীৰ ভিতৰত আছে মানেকা গান্ধী, ধৰ্মেন্দ্ৰ প্ৰধান, মনোহৰ লাল খট্টৰ, মনোজ তিৱাৰী, বাঁসুৰী স্বৰাজ আদি। কংগ্ৰেছৰ উল্লেখযোগ্য প্ৰাৰ্থীৰ ভিতৰত আছে- দীপেন্দৰ সিং হুদা, কুমাৰী ছেলজা, ৰাজবাববৰ, কানহাইয়া কুমাৰ আদি। জম্মু-কাশ্মীৰৰ অনন্তনাগ-ৰাজৌৰী সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে প্ৰাক্তন মুখ্যমন্ত্ৰী মেহবুবা মুফতীয়ে।

ষষ্ঠ পৰ্যায়ত এক লাখ ১৪ হাজাৰ ভোটকেন্দ্ৰত ১১ কোটিৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন আয়োগে ভোটগ্ৰহণ প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবৰ বাবে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। পুৱা ৭ বজাত আৰম্ভ হোৱা ভোটগ্ৰহণ প্ৰক্ৰিয়া সন্ধিয়া ৬ বজাত অন্ত পৰিব।

০০০০০

গৰমৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ কেইবাখনো জিলাৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী সাল-সলনি কৰা হৈছে। শোণিতপুৰ, হাইলাকান্দি, মৰিগাঁও, তিনিচুকীয়া, কাৰ্বি আংলং আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে পাঠদানৰ নতুন সময়সূচীৰ নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি শোণিতপুৰ জিলাৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা দিনৰ ১২ বজালৈ, মধ্য ইংৰাজী বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা ১২ বাজি ৩০ মিনিটলৈ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা দুপৰীয়া ১ বজালৈ নিৰ্ধাৰণ কৰা হৈছে।

একেদৰে মৰিগাঁও জিলাৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা ১১ বাজি ১৫ মিনিটলৈ আৰু  উচ্চ প্ৰাথমিক শ্ৰেণীৰ পাঠদানৰ সময় পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা দুপৰীয়া ১

বাজি ১৫ মিনিটলৈ নিৰ্ধাৰণ কৰা হৈছে। একেদৰে জিলাখনৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা দুপৰীয়া ১ বাজি ৫৫ মিনিটলৈ ধাৰ্য কৰা হৈছে।

তিনিচুকীয়া জিলাৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ ১২ বজালৈ আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ চাৰে ১২ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। একেদৰে জিলাখনত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া ১ বাজি ১৫ মিনিটলৈ নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ লগতে বিদ্যালয়সমূহত মুকলি আকাশৰ তলত খেলা-ধূলা আৰু প্ৰাতঃ সভা আদি নকৰিবলৈ নিৰ্দেশনা জাৰি কৰা হৈছে।

ইপিনে কাৰ্বি আংলং জিলাৰ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৮ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। জিলাখনৰ মাধ্যমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৮ বজাৰ পৰা দুপৰীয়া ১ বজালৈ, উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৮ বজাৰ পৰা দুপৰীয়া ডেৰ বজালৈ নিৰ্ধাৰণ কৰা হৈছে।

কামৰূপ মহানগৰ জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি জিলাখনৰ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। একেদৰে মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ, উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া ১ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ উপৰি শিক্ষানুষ্ঠানসমূহক পৰ্যাপ্ত শীতল খোৱাপানীৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশনা জাৰি কৰা হৈছে। গ্ৰীষ্ম প্ৰবাহৰ ফলত স্বাস্থ্যজনিত সমস্যাত ভোগা শিক্ষাৰ্থীক চিকিৎসাৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশনা জাৰি কৰা হৈছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে বিদ্যালয়সমূহক নিৰ্দেশসমূহ মানি চলিবলৈ আহ্বান জনাইছে লগতে এই সময়ত হ'ব পৰা ৰোগৰ পৰা মুক্ত হৈ থাকিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে।

ooooo

ঠেঙ্গাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ প্ৰতিষ্ঠাপক মুখ্য উপদেষ্টা তথা যোৰহাটৰ তিতাবৰৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ যোগেশ্বৰ বৰাক আজি জংগ বাহাদুৰ ঠেঙ্গাল ৰত্ন বঁটা প্ৰদান কৰা হয়। ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ আত্ম প্ৰতিষ্ঠা আৰু একত্ৰিত কৰাৰ ক্ষেত্ৰত আগ বঢ়োৱা জীৱন যোৰা অৱদানৰ স্বীকৃতি স্বৰূপে তেওঁক এই বঁটা প্ৰদান কৰা হয়। ঠেঙ্গাল কছাৰী সাহিত্য সংস্কৃতি সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়াই আজি তিতাবৰৰ ঠেঙ্গাল কছাৰী সাংস্কৃতিক কেন্দ্ৰ আৰু সংগ্ৰহালয়ৰ সভা কক্ষত আয়োজিত এটা অনুষ্ঠানত এই বঁটা প্ৰদান কৰে। অনুষ্ঠানত ঠেঙ্গাল কছাৰী স্বায়ত্ব শাসিত পৰিষদে পুঁজিৰে প্ৰকাশিত ড০ যোগেশ্বৰ বৰাৰ **চীনৰ পৰা দৈয়াঙলৈ ঃ ঠেঙ্গাল কছাৰীৰ উৎপত্তি আৰু তেওঁলোকৰ আৰ্থ-সামাজিক অৱস্থা** শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰা হয়।oooooo

ooooo

পেৰুত অনুষ্ঠিত আই ডব্লিউ এফ বিশ্ব যুৱ ভাৰত্তোলন প্ৰতিযোগিতাত অসমৰ দেৱব্ৰত ভৰালীয়ে স্বৰ্ণ পদক লাভ কৰি ৰাজ্যলৈ সুনাম কঢ়িয়াই আনিছে। ৭৩ কেজি শাখাত স্নেচত ১৩৬ কেজি আৰু ক্লিন এণ্ড জাৰ্কত ১৬০ কেজি উত্তোলন কৰি ভৰালীয়ে এই সাফল্য অৰ্জন কৰিছে। যুৱ ভাৰত্তোলকৰ দলটো মুখ্য প্ৰশিক্ষক ৰূপত অসমৰ অলকেশ বৰুৱাই নেতৃত্ব প্ৰদান কৰিছে।